**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-07-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

ৰাজ্যৰ যুৱক-যুৱতীসকলক সংগঠিতভাৱে বিদেশী ভাষাৰ প্ৰশিক্ষণ প্ৰদানৰ বাবে অসম মন্ত্ৰীসভাই চীফ মিনিষ্টাৰ্ছ ফৰেইন লেংগুৱেজ ইনিচিয়েটিভ ফৰ গ্ল’বেল হিউমেন টেলেণ্ট অৰ্থাৎ চি এম ফ্লাইট আঁচনিত অনুমোদন জনাইছে। ইয়াৰ জৰিয়তে ১৮০ গৰাকী প্ৰাৰ্থীক চলিত বৰ্ষত প্ৰশিক্ষণ দিয়া হ’ব। প্ৰাৰ্থীসকলে ইয়াৰ ফলত বহিঃৰাষ্ট্ৰত নিযুক্তিৰ সুবিধা লাভ কৰাৰ লগতে স্থানীয় লোকসকলৰ বাবে কৰ্ম সংস্থাপনৰ নতুন সুযোগ মুকলি হ’ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত ডিব্ৰুগড়ত কালি অনুষ্ঠিত ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। প্ৰাৰ্থীসকলক জাপান আৰু অন্যান্য বিদেশী ভিছা আঁচনিৰ জৰিয়তে নিয়োগৰ সুযোগ প্ৰদান কৰা হ’ব। শিক্ষাখণ্ডৰ উন্নয়নৰ বাবে বিশ্ববেংকৰ পৰা দুহেজাৰ ৭৫০ কোটি টকাৰ প্ৰকল্পতো মন্ত্ৰীসভাই অনুমোদন জনায়। এই প্ৰকল্পৰ অধীনত প্ৰশিক্ষিত শিক্ষক, বিজ্ঞান প্ৰযুক্তি আৰু সঠিক শ্ৰেণীকোঠা ব্যৱস্থাপনাক প্ৰাধান্য দি ৪০০ খন নতুন বিদ্যালয় আৰু এহেজাৰ ৭৩৩ টা অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ৰাজ্যত শীঘ্ৰেই কাৰ্যকৰী হ’বলগীয়া ১০ খন সম জিলাত আৰক্ষী ব্যৱস্থা অধিক দক্ষ কৰি তোলাৰ বাবে ১০ টা নতুন পদ সৃষ্টি কৰিবলৈ মন্ত্ৰীসভাই অনুমোদন জনাইছে। ইয়াৰ বাবে অসম আৰক্ষীৰ বৰ্তমানৰ অনুমোদিত পদসমূহ সম জিলাৰ আৰক্ষী অধীক্ষক হিচাপে উন্নীতকৰণ আৰু পুনঃ পদবীকৰণত মন্ত্ৰীসভাই অনুমোদন জনায়। অসম আৰক্ষীৰ নতুন থানা, বেৰেক আৰু চাইবাৰ থানা নিৰ্মাণৰ বাবে গঠন কৰা মিছন মৈত্ৰী আঁচনিৰ অধীনত ডেৰশ কোটি টকা বিত্তীয় অনুমোদনত অসম মন্ত্ৰীসভাই মঞ্জুৰি দিছে।

অসমত উদ্ভাৱন আৰু ষ্টাৰ্টআপ সম্পৰ্কীয় কাৰ্যকলাপৰ প্ৰচাৰৰ বাবে অসম উদ্ভাৱন আৰু ষ্টাৰ্টআপ ফাউণ্ডেচন কোম্পানী গঠনত মন্ত্ৰীসভাই অনুমোদন জনায়। এই আঁচনিৰ অধীনত ৰাজ্য চৰকাৰে প্ৰতিগৰাকী প্ৰাৰ্থীৰ বাবদ ডেৰলাখ টকাকৈ ব্যয় কৰিব। মন্ত্ৰীসভাই কালি ছখন জিলাৰ ভূমি বাৰ্ষিক পট্টাৰ পৰা ম্যাদি পট্টালৈ ৰূপান্তৰৰ বাবে অনুমোদন জনায়।

ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় সচিবালয়ত অনুষ্ঠিত এখন বৈঠকত সোণাৰি বিধানসভা সমষ্টিৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰ কাম-কাজ পৰ্যালোচনা কৰে। ৰাইজৰ সামগ্ৰিক উন্নয়নৰ বাবে চৰকাৰী আঁচনিসমূহ স্বচ্ছতাৰে আৰু নিৰ্ধাৰিত সময়ত ৰূপায়ণ কৰিবলৈ তেওঁ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে চৰাইদেউ জিলাৰ ৰাইজৰ সামাজিক-সাংস্কৃতিক, শৈক্ষিক আৰু অৰ্থনৈতিক উত্তৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰি সকলো চৰকাৰী আঁচনিৰ তৃণমূল পৰ্যায়ৰ পৰা কাৰ্যকৰী কৰিবলৈ আহ্বান জনায়। জিলাখনত কম বৰষুণ হোৱা অঞ্চলসমূহৰ ওপৰত দৃষ্টি ৰাখি খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হ’লে অধিক উৎপাদনক্ষম প্ৰজাতিৰ ধানৰ বীজ যোগানৰ ব্যৱস্থা কৰিবলৈ কৃষি বিভাগক নিৰ্দেশ দিয়ে।

সকলো কাম স্বচ্ছতাৰে সম্পাদন কৰি সমষ্টিটোৰ সামগ্ৰিক বিকাশ নিশ্চিত কৰিবলৈ তেওঁ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে বৈঠকত ৮০০ খন আসনযুক্ত অত্যাধুনিক প্ৰেক্ষাগৃহ নিৰ্মাণ, ভাৰতীয় খাদ্য নিগমৰ গুদাম ঘৰ স্থাপন আৰু সোণাৰি নগৰাঞ্চলৰ পথ উন্নীতকৰণ কৰা হ'ব বুলি ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে লখিমপুৰ জিলাৰ নাওবৈচা বিধানসভা সমষ্টিৰ বিভিন্ন উন্নয়নমূলক আঁচনিৰো পৰ্যালোচনা কৰে।

০০০০০০

চাৰিদিনীয়া ভ্ৰমণসূচীৰে ডিব্ৰুগড়লৈ যোৱা মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান আৰু মুখ্যমন্ত্ৰীৰ বিশেষ পুঁজিৰ অধীনত ১৪৭ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰিবলগীয়া কেইবাটাও আন্তঃগাঁথনি উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত অধ্যাপকৰ আৱাস আৰু ছাত্ৰাবাসৰ আধাৰশিলা স্থাপন কৰিব। ৫০৪ বিঘা ভূমি সামৰি হ'বলগীয়া এই প্ৰকল্পত ৩৫৭ কোটি টকা ব্যয় কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে আজি বিয়লি নাহৰকটীয়াত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু হস্তান্তৰ অনুষ্ঠানত অংশ ল'ব। তেওঁ ২০ কোটি টকা ব্যয়সাপেক্ষ সম জিলা আয়ুক্তৰ কাৰ্যালয়, ৬৯ কোটি টকা ব্যয়সাপেক্ষ নামৰূপ-নাহৰকটীয়া পথ উৰণসেঁতুৰ আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীয়ে ৭ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় ভৱন আৰু ৮ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া কুঁৰৰীগাঁও উচ্চ মাধ্যমিক বিদ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰিব। তদুপৰি তেওঁ নাহৰকটীয়া উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগলৈ হস্তান্তৰ কৰিব। এই প্ৰকল্পত ১১ কোটি টকা ব্যয় কৰা হৈছে।

০০০০০০

যোৰহাট আৱৰ্ত ভৱনত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত জিলাখনত ৰূপায়ণ হৈ থকা চৰকাৰৰ বিভিন্ন আঁচনিৰ কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত তেওঁ জিলাখনৰ আটাইকেইগৰাকী বিধায়ক, যোৰহাট জিলা আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, জিলা খণ্ড উন্নয়ন বিষয়া আৰু অন্যান্য বিভাগীয় বিষয়াৰ সৈতে পৰ্যালোচনা কৰে। এম জি এনৰেগা, অমৃত সৰোবৰ, মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ লগতে পৰ্যটন বিভাগৰো বিভিন্ন কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰা হয়। যোৰহাট জিলাত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অধীনত গৃহ নিৰ্মাণৰ হাৰ ৰাজ্যিক গৃহতকৈ অধিক হৈছে। ইয়াৰ বাবে মন্ত্ৰীগৰাকীয়ে জিলা প্ৰশাসনৰ লগতে পঞ্চায়ত বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰোপৰি জিলাখনত নিৰ্মাণ চলি থকা প্ৰায় ৮ হাজাৰ গৃহ নিৰ্মাণৰ কাম অহা ছেপ্তেম্বৰৰ ৩০ তাৰিখৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ মন্ত্ৰীগৰাকীয়ে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০০

আদিবাসী জনগোষ্ঠীৰ সংগ্ৰামী নেতা, আদিবাসী জাতীয় নায়ক- সদ্য প্ৰয়াত প্ৰদীপ নাগৰ সোঁৱৰণত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি তথা সাংবাদিক মনজিৎ বৰাক বঁটা প্ৰদান কৰিব। অহা ২৭ জুলাইত কছাৰীবাৰী আউনীআটী শাখা সত্ৰ প্ৰেক্ষাগৃহত হ'বলগীয়া সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ জিলা পৰ্যায়ৰ সভাত এই বঁটা প্ৰদান কৰা হ'ব বুলি জিলা সমিতিৰ সভাপতি গৌতম ছাংগা আৰু সম্পাদক ৰাজেশ লাৰকীনে আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাক জানিবলৈ দিয়ে।

০০০০০০

সমাপ্ত